# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 02-06-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ভাৰতৰ বিমান পৰিবহন খণ্ডই বিশ্বৰ বিমান পৰিবহন উদ্যোগত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে।

২। সেউজ শক্তি, সেউজ হাইড্ৰজেন আৰু জৈৱ ইন্ধনৰ দৰে খণ্ডসমূহত ভাৰত আৰু পাৰাগুৱেৰ নিজৰ সম্পৰ্ক আৰু অধিক শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। বিগত কেইবাদিনো হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত অসমৰ কেইবাখনো জিলাত বৰ্তমানেও বান পৰিস্থিতি জটিল হৈ আছে।

৪। ইষ্টানবুলৰ ঐতিাসিক চিৰাগান অট্টালিকাত আজি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত দ্বিতীয় পৰ্যায়ৰ শান্তি আলোচনা আৰম্ভ হ'ব। *আৰু*

৫। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কাইলৈ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ০

০০০০০

ভাৰতৰ বিমান পৰিবহন খণ্ডই বিশ্বৰ বিমান পৰিবহন উদ্যোগত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি সন্ধিয়া আন্তৰাষ্ট্ৰীয় আকাশ পৰিবহন সংস্থাৰ ৮১ সংখ্যক বাৰ্ষিক সাধাৰণ সন্মিলনত ভাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে বিশ্ব মহাকাশ - বিমান ক্ষেত্ৰত ভাৰতে নেতৃত্ব বহন কৰিছে। উড়ান আঁচনিৰ সফলতাই ভাৰতৰ অসামৰিক বিমান পৰিবহন খণ্ডত সোণালী অধ্যয়ৰ সূচনা কৰিছে। বৰ্তমান ভাৰতে বিশ্বৰ ঘৰুৱা বিমান পৰিবহন খণ্ডত তৃতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে. ৰামমোহন নাইডুৱে কয় যে সমাগত ৫ বছৰত দেশত আৰু ৫০ টা বিমান বন্দৰ উন্নয়নৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ২০১৪ চনত দেশত মাত্ৰ ৭৬ টা বিমান বন্দৰ আছিল। বৰ্তমান ৩৩ টা আন্তৰাষ্ট্ৰীয় বিমান বন্দৰকে ধৰি এই পৰ্যন্ত ১৬২ লৈ বিমান বন্দৰৰ সংখ্যা বৃদ্ধি হৈছে বুলি অসামৰিক বিমান পৰিবহন মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

দুদিনীয়াকৈ অনুষ্ঠিত এই সন্মিলনৰ কাইলৈ সামৰণি পৰিব। এই আন্তৰাষ্ট্ৰীয় আকাশ পৰিবহন সন্মিলনত অসামৰিক বিমান উদ্যোগৰ অৰ্থনীতি, যোগাযোগ, শক্তি, সুৰক্ষা, তেল উৎপাদন, উদ্ভাৱন আদিকে ধৰি উদ্যোগটোৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত অসামৰিক বিমান পৰিবহন উদ্যোগৰ ক্ষেত্ৰত ভাৰতৰ উল্লেখযোগ্য পৰিৱৰ্তন আৰু এই ইতিবাচক পৰিৱৰ্তনে দেশৰ সামাজিক, অৰ্থনৈতিক, বিকাশত যোগোৰা অৰিহনাৰ বিষয়ে তথ্য দাঙি ধৰা হ'ব। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ১৯৮৩ চনত আন্তৰাষ্ট্ৰীয় বিমান পৰিবহন সংস্থাৰ শেষৰখন সাধাৰণ সন্মিলন অনুষ্ঠিত হৈছিল।

০০০০০

সেউজ শক্তি, সেউজ  হাইড্ৰজেন আৰু জৈৱ ইন্ধনৰ দৰে খণ্ডসমূহত ভাৰত আৰু পাৰাগুৱেৰ নিজৰ সম্পৰ্ক আৰু অধিক শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দিল্লীত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু পাৰাগুৱেৰ ৰাষ্ট্ৰপতি ছাণ্টিয়াগো পেনা পালাচিঅ'চৰ মাজত সম্পন্ন হোৱা প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ সময়ত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত দুয়োখন দেশে চাইবাৰ অপৰাধ, ড্ৰাগছ সৰবৰাহ আদিৰ বিৰুদ্ধে একেলগে কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। এই উপলক্ষে ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আৰু পাৰাগুৱে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যমত পোষণ কৰিছে। ডিজিটেল প্ৰযুক্তি, কৃষি, প্ৰতিৰক্ষা, ৰেল, মহাকাশ আদি খণ্ডত দুয়োখন দেশৰে বহু সম্ভাৱনা আছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে পাৰাগুৱে হৈছে দক্ষিণ আমেৰিকাৰ গুৰুত্বপূৰ্ণ অংশ। দুয়োখন দেশতে বাণিজ্যিক ক্ষেত্ৰ বৃদ্ধিৰো বহু সম্ভাৱনা আছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। পাৰাগুৱেৰ ৰাষ্ট্ৰপতিগৰাকী আজি পুৱা ৩ দিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ৰাষ্ট্ৰপতি পালাচিঅ'চক সাক্ষাৎ কৰি বিভিন্ন ক্ষেত্ৰত ভাৰত আৰু পাৰাগুৱেৰ সহযোগিতা বৃদ্ধিৰ বাবে তেওঁৰ ইতিবাচক চিন্তা আৰু নিৰ্দেশনাৰ শলাগ লয়। ৰাষ্ট্ৰপতিগৰাকীয়ে নতুন দিল্লীৰ ৰাজঘাট পৰিদৰ্শন কৰে আৰু মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড়কো  পাৰাগুৱেৰ ৰাষ্ট্ৰপতিগৰাকীয়ে সাক্ষাৎ কৰাৰ কথা আছে। অহা বুধবাৰে পাৰাগুৱেলৈ উভতি যোৱাৰ পূৰ্বে ৰাষ্ট্ৰপতি পালা চিঅ'চিছে  মুম্বাই ভ্ৰমণ কৰিব। মুম্বাইত তেওঁ ৰাজনৈতিক নেতা আৰু ব্যৱসায় আৰু উদ্যোগৰ প্ৰতিনিধিৰ লগতে প্ৰযুক্তিৰ সৈতে জড়িত আগশাৰীৰ লোকসকলক সাক্ষাৎ কৰিব। ভাৰত আৰু পাৰাগুৱে ১৯৬১চনত কূটনৈতিক সম্পৰ্ক স্থাপনেৰে দুয়োখন দেশৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্ক অব্যাহত ৰাখিছে। লেটিন আমেৰিকাৰ দেশসমূহত পাৰাগুৱে ভাৰতৰ বাবে উল্লেখযোগ্য বাণিজ্যিক অংশীদাৰ। অটোমোবাইল, ঔষধ প্ৰস্তুতকাৰী কেইবাটাও ভাৰতীয় কোম্পানীয়ে পাৰাগুৱেত নিজৰ আধিপত্য অব্যাহত ৰাখিছে। ভাৰততো পাৰাগুৱেৰ বহুতো কোম্পানী আছে। যিয়ে দুয়োখন দেশৰ অৰ্থনৈতিক সম্পৰ্কত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে। লগতে দুয়োখন দেশে জলবায়ু পৰিবৰ্তন, নৱীকৰণযোগ্য শক্তি, সন্ত্ৰাসবাদ বিৰোধী অভিযান আদিত  ঐক্যমত পোষণ কৰে।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে ভাৰতৰ বৈদ্যুতিক বাহন আৰু নৱীকৰণযোগ্য শক্তি খণ্ডৰ বজাৰত ভৱিষ্যতৰ বিনিয়োগৰ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে আজি পেৰিছত বিশ্বৰ শীৰ্ষ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে আলোচনাত  মিলিত হয়। ৩ দিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্সলৈ যোৱা শ্ৰীগোৱেলে কাইলৈ বাণিজ্য সংস্থাৰ এখন মন্ত্ৰী পৰ্যায়ৰ বৈঠকতো ভাগ ল'ব। ভ্ৰমণৰ সময়চোৱাত মন্ত্ৰীগৰাকীয়ে ফ্ৰান্সৰ অৰ্থনীতি, বিত্ত আৰু উদ্যোগ মন্ত্ৰী এৰিক লম্বাৰ্ড আৰু ফ্ৰান্সৰ বাণিজ্য মন্ত্ৰী লৰিয়েণ্ট ছেইণ্ট  মাৰ্টিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। বৈঠকত ভাৰত আৰু ফ্ৰান্সৰ মাজৰ অৰ্থনৈতিক সম্পৰ্ক আৰু অধিক শক্তিশালী কৰাৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰা হ'ব।

ooooo

বিগত কেইবাদিনো হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত অসমৰ কেইবাখনো জিলাত বৰ্তমানেও বান পৰিস্থিতি জটিল হৈ আছে।। বছৰৰ প্ৰথমটো বানত ৰাজ্যৰ ১৭ খন জিলাৰ ৩ লাখ ৬৪ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থাপন কৰা ৫২ টা আশ্ৰয় শিবিৰত ১০ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত এই বানত ১২ জন লোকে প্ৰাণ হেৰুৱাইছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে প্ৰশাসনে জনসাধাৰণৰ নিৰাপত্তাৰ বাবে অহৰহ কাম কৰি আছে আৰু পৰিস্থিতি স্বাভাৱিক হ'লে ক্ষতিগ্ৰস্তসকলক ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হ'ব। তেওঁ জৰুৰীকালীন পৰিস্থিতিৰ জোৰা মৰাৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণৰ লগতে জিলা প্ৰশাসনৰ সৈতে সঘনে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়ে।

ইপিনে, অৰুণাচল প্ৰদেশত নেৰেনেপেৰা বৰষুণৰ ফলত ইটানগৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই পৰৱৰ্তী ২৪ ঘণ্টাত ৰাজ্যখনৰ ভিতৰুৱা অঞ্চলসমূহত বিজুলী ঢেৰেকনিৰে ধাৰাষাৰ বৰষুণ হ'ব বুলি সতৰ্কতা জাৰি কৰিছে। কেন্দ্ৰটোৱে ১০ খন জিলাৰ বাবে অৰেঞ্জ এলাৰ্ট আৰু ১৪ খন জিলাৰ বাবে য়েল' এলাৰ্ট জাৰি কৰাৰ লগতে নৈপৰীয়া স্থানসমূহত মাছ ধৰা, খৰি আৰু আন সা-সামগ্ৰী বুটলা আদি কামত বাধা আৰোপ কৰিছে।

০০০০০

ইষ্টানবুলৰ ঐতিহাসিক চিৰাগান অট্টালিকাত আজি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত দ্বিতীয় পৰ্যায়ৰ শান্তি আলোচনা আৰম্ভ হ'ব। ৰাছিয়াৰ হৈ ৰাষ্ট্ৰপতিৰ সহায়ত ভ্লাদিমীৰ মেদিনস্কী আৰু উপ বিদেশ মন্ত্ৰী মিখাইল গালুজিনে দেশখনৰ প্ৰতিনিধিত্ব কৰিব। আনহাতে, ইউক্ৰেইনৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰুস্তাম উমৰ'বে দেশখনৰ প্ৰতিনিধি হিচাপে উপস্থিত থাকিব। তুৰ্কীৰ বিদেশ মন্ত্ৰী হাকান ফিদানৰ মধ্যস্থতাত এই বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে ৰাছিয়াৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ মাৰিয়া জাখাৰোবাই কৈছিল যে তুৰ্কী বা আন কোনো পক্ষৰ মধ্যস্থতাত ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ আলোচনা নহয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়াকৈ দক্ষিণ কোৰিয়াত সামৰণি পৰা এছিয়ান এথলেটিক ছেম্পিয়নশ্বিপত ভাৰতীয় খেলুৱৈসকলে দেখুওৱা উৎকৃষ্ট প্ৰদৰ্শনৰ ভূয়সী প্ৰশংসা কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ভাৰতীয় খেলুৱৈসকলৰ উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে দেশবাসী গৌৰবান্বিত। তেওঁ লগতে কয়, যে প্ৰতিগৰাকী খেলুৱৈয়ে প্ৰতিযোগিতাত নিজৰ কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰ পৰিচয় দিছে। প্ৰধানমন্ত্ৰীয়ে খেলুৱৈসকলক তেওঁলোকৰ উজ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **ডিজিটেল ব্যৱসায়ত দুষ্টচক্ৰৰ পৰা গ্ৰাহকসকলৰ সুৰক্ষা** এই সন্দৰ্ভত গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ৰ গ্ৰাহক পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব অনুপম মিশ্ৰ আৰু গ্ৰাহক আইন, অধিকাৰ আৰু সুৰক্ষাৰ বিশেষজ্ঞ পুস্পাগিৰি মাজিৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কাইলৈ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত ৰজত পাটিদাৰ নেতৃত্বাধীন ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৮ উইকেটত পৰাস্ত কৰা পাঞ্জাব কিংছৰ বিৰুদ্ধে ফাইনেল খেলতো একে উৎসাহেৰে অৱতীৰ্ণ হ'ব। অৱশ্যে দ্বিতীয়খন কোৱালিফায়াৰত

মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে সফলতা অৰ্জন কৰা শ্ৰেয়াছ আয়াৰৰ নেতৃত্বাধীন পাঞ্জাব কিংছেও এইবাৰ আই পি এলৰ খিতাপ অৰ্জন কৰাৰ বাবে নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিব। উল্লেখযোগ্য যে দীৰ্ঘদিনীয়া প্ৰতিক্ষাৰ অন্তত দুয়োটা দলে এই প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ